
(67)

# বিমৃশা



অসম কলেজ শিক্ষক সংস্থা
মাজুলী মাণ্ডলিক সমিতিৰ মুখপত্ৰ







সম্পাদকদ্বয়
ড° পংকজ শইকীয়া
তুলসী ৰাজখোৱা

# BIMRISHA

**Annual Mouthpiece of Majuli Zone,
Assam College Teachers' Association (ACTA),
Majuli, November, 2021**

A collection of articles edited by Dr. Pankaj Saikia and Tulashi Rajkhowa and published by Assamese Language and Software Development Centre, Guwahati, Assam on behalf of Majuli Zone, ACTA

---

**EDITORIAL BOARD**

**President :**
Amulya Ch. Borah

**Advisers :**
Abani Kumar Dutta
Chandradhar Dutta
Suren Ch. Das
Binod das

**Editors :**
Dr. Pankaj Saikia
Tulashi Rajkhowa

**Members :**
Ringkumoni Chutia
Jnanashree Borah

**ISBN:** 978-93-89065-00-8

**Cover Design :** Anil Boruah

**Price :** Rs. 170/-

**Printed at :**
Panchajanya Printing and Publishing
Bamunimaidam, Guwahati

২০২১ বৰ্ষৰ ৮ ছেপ্টেম্বৰ তাৰিখে
ব্ৰহ্মপুত্ৰৰ নিমাতিঘাটত সংঘটিত
ফেৰী দুৰ্ঘটনাত অকালতে সলিল সমাধি ঘটা
ব্যক্তিসকলৰ সোঁৱৰণত
এই সংখ্যাটি উছৰ্গা কৰা হ'ল।

— সম্পাদনা সমিতি

# সূচীপত্ৰ


1. An Overview of Majuli's Population Pattern in Perspective of North East : **Dr. Rupjyoti Borah** 09
2. Prospective of Geographic Information System (GIS) and Remote Sensing (RS) in Lotic Bodies (RIVER) Analysis : **Dr. Biplab Kumar Das** 16
3. Renewable Energy Sources: One Step Closer to Greener Earth : **Aditya Borah** 25
4. Space Weather Effect on the Earth's Atmosphere: **Dr. Rumajyoti Hazarika** 30
5. Insurgency in North East India : Factors Behind It : **Biju Tamuly** 35
6. The Prospects and Challenges of Small Scale and Cottage Industries in Majuli : **Prasanta Bharali** 43
7. Recent Advances in Vegetable Oil-Based Epoxy Resin: Green Approaches to Substitute Petroleum Based Epoxy Resin : **Dr. Simanta Doley** 49
8. Brief Political Identity and Struggle of Majuli : **Amulya Ch. Borah** 55
9. COVID 19-An Overview : **Porismita Borah** 60
10. Giloy: The Magic Plant : **Borsha Tamuly** 65
11. Ornamental Fishes: The Living Jewels of North-East India : **Geeti Mala Pegu** 72
12. Tourism in Mizoram: Problems and Prospects : **Uditya Borah** 77





13. আত্মজীৱনীমূলক গ্ৰন্থ *মোৰো এটা সপোন আছে* অসমীয়া বিষয়ৰ পাঠ্যক্ৰম আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ ঃ ড° দুলাল হাজৰিকা 87
14. মাজুলীত সত্ৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত আৰু মাজুলীৰ মূল চাৰিসত্ৰৰ অন্যতম দক্ষিণপাট সত্ৰৰ সংক্ষিপ্ত বিৱৰণ ঃ ড° ব্ৰজেন চন্দ্ৰ নেওগ, দেৱজ্যোতি খাটনিয়াৰ 94
15. গান্ধী, বিজ্ঞান আৰু প্ৰযুক্তি ঃ পংকজ গোস্বামী, গীতাৰাণী গোস্বামী 104
16. লুম্মেৰ দাইৰ *কইনাৰ মূল্য* উপন্যাসত আদি সমাজৰ বাল্য বিবাহ আৰু প্ৰতিবাদী নাৰী চেতনা ঃ ডিম্বজ্যোতি বৰুৱা 112
17. মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীবাদী চিন্তা ঃ ড° বিউটি গগৈ 118
18. মৰাণ জনগোষ্ঠীৰ মহিলা সমাজৰ ৰীতি-নীতি আৰু অনুষ্ঠানসমূহ ঃ মল্লিকা মৰাণ 124
19. ভবেন্দ্ৰ নাথ শইকীয়াৰ নাট্যকৰ্ম 'শতাব্দী' ঃ কেইটিমান দিশ ঃ ৰিংকুমণি চুতীয়া 132
20. ২০২১ বৰ্ষৰ ন'বেল বঁটা বিজয়ী তিনিজন পদাৰ্থবিদ আৰু তেওঁলোকৰ কৰ্মৰাজি ঃ ক্ষীৰোদ চন্দ্ৰ সন্দিকৈ 137
21. ভাষাৰ স্বৰূপ আৰু সংজ্ঞা ঃ এটি অধ্যয়ন ঃ অঞ্জলী বৰা 140
22. অসম আন্দোলনৰ সমকালীন শৈক্ষিক ক্ষেত্ৰৰ দুৰৱস্থা ঃ ড° পংকজ শইকীয়া 145
23. প্ৰতিবেদন 152-156


❖ ❖ ❖ ❖

(79)

## মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত

# নাৰীবাদী চিন্তা

*(নীলকণ্ঠী ব্ৰজ আৰু দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ বিশেষ উল্লিখনেৰে)*

ড° বিউটি গগৈ

১.০০ অৱতৰণিকা ঃ

অসমীয়া উপন্যাস সাহিত্যৰ জগতখনলৈ যিকেইগৰাকী মহিলা ঔপন্যাসিকে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে, সেইসকলৰ ভিতৰত মামণি ৰয়ছম গোস্বামী অন্যতম। তেওঁৰ উপন্যাসবোৰৰ মাজেদি সমসাময়িক সমাজৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাক সবলভাৱে উপস্থাপন কৰিছে। বিধৱা নাৰীৰ কৰুণ পৰিণতি, নাৰীৰ নিৰাপত্তাহীনতা, প্ৰবঞ্চিতা নাৰীৰ বিদ্ৰোহ আদি নাৰীৰ অনেক সমস্যা গোস্বামীয়ে উপন্যাসৰ মাজেদি পোহৰলৈ আনিছে।

সপ্তদশ আৰু অষ্টাদশ শতিকাত পাশ্চাত্য-উন্মেষিত এক সামাজিক ৰাজনৈতিক দৰ্শন হৈছে নাৰীবাদ। নাৰীবাদী দৰ্শনৰ মূল ভেটি নাৰীবাদী চেতনা বিশ্বত প্ৰথম প্ৰকাশ ঘটে অষ্টাদশ শতিকাৰ ফৰাচী দাৰ্শনিক কঁডচে (Condorcet)ৰ এডমিচন অব উইমিন টু ফুল চিটিজেনশ্বিপ (১৭৯০) (Admission of women to full citizenship) নামৰ গ্ৰন্থত।[১] গ্ৰন্থখনত কঁডচেই পুৰুষৰ দৰে নাৰীকো পূৰ্ণ স্বাধীনতা দিব লাগে বুলি উল্লেখ কৰিছে। নাৰীবাদৰ মূল দৃষ্টিভংগী হ'ল— নাৰী আৰু পুৰুষৰ মূল্য বা গুৰুত্বৰ ফালৰপৰা পাৰ্থক্যহীনতা। দুয়োটিয়েই একে মানৱ সত্তা। মানুহৰ প্ৰকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এয়ে হ'ল নাৰীবাদৰ সাৰ কথা।[২]

২.০০ **বিষয়-বিশ্লেষণ ঃ**

সপ্তদশ-অষ্টাদশ শতিকাত বিকাশ লাভ কৰা নাৰীবাদী চেতনাৰ মাজেদি



সমাজত যাতে নাৰীসকলে পুৰুষৰ সমমৰ্যাদা লাভ কৰিব পাৰে তাৰ প্ৰতি গুৰুত্ব দিয়া হৈছিল। নাৰী আৰু পুৰুষক পৃথক ব্যক্তিসত্তাৰূপে বিবেচনা নকৰি এক মানৱীয় সত্তাৰূপে প্ৰতিষ্ঠা কৰিলেহে নাৰীসকলে সমাজত স্বকীয় অস্তিত্ব প্ৰকাশ কৰিব পাৰিব। পুৰুষতান্ত্ৰিক সমাজত নাৰীসকলৰ ওপৰত পূৰ্বৰেপৰা এক দমনমূলক মনোভাব পোষণ কৰি অহা হৈছে। তেওঁলোকৰ ওপৰত সমাজে নিজৰ সুবিধাৰ কাৰণে কিছুমান ধৰা-বন্ধা নীতি-নিয়ম তথা কাৰ্যপ্ৰণালী আৰোপ কৰি দিয়ে। ফলত পুৰুষতান্ত্ৰিক সমাজত পুৰুষৰ অধীনত ৰাখি নাৰীসকলৰ স্বাধীনতা তথা অস্তিত্বক হেয় প্ৰতিপন্ন কৰা হয়। পুৰুষৰ দৰে নাৰীয়েও জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। সমাজে নাৰীৰ জীৱনৰ পৰিপূৰ্ণতা কেৱল বিবাহ, স্বামীসেৱা আৰু সন্তানৰ উৎপাদনতহে বিচাৰি পায় বুলি নাৰীবাদীসকলে ক'ব বিচাৰে; যাৰ ফলত নাৰীক পুৰুষে সদায় একোটা যৌনসত্তা (Sexual being) বুলি জ্ঞান কৰে। পুৰুষৰ দৰে তেওঁলোককো এক মানৱ সত্তা হিচাপে বিবেচনা কৰাটো নাৰীবাদীসকলে বিচাৰে। নাৰীবাদৰ এনে ধৰণৰ ধ্যান-ধাৰণাক অৱলম্বন কৰি প্ৰাচ্য আৰু পাশ্চাত্যত বিভিন্ন ধৰণৰ সাহিত্য সৃষ্টি হৈছে। এনে সাহিত্যসমূহৰ ভিতৰত উপন্যাসেই হ'ল একমাত্ৰ সাহিত্য, যাৰ জৰিয়তে নাৰীবাদী ভাবধাৰাক সকলো শ্ৰেণীৰ পঢ়ুৱৈলৈ প্ৰসাৰিত কৰিব পৰা যায়।

অসমীয়া সাহিত্যলৈ পাশ্চাত্যৰ নাৰীবাদী ভাবধাৰাৰ আগমন ঘটে বিংশ শতিকাৰ শেষাৰ্ধত। অৱশ্যে বিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকত পাশ্চাত্যৰ প্ৰভাৱ নপৰাকৈ নাৰীৰ সামাজিক স্থিতিক কেইগৰাকীমান অসমীয়া ঔপন্যাসিকে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। সেইসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ, দণ্ডিনাথ কলিতা, চন্দ্ৰপ্ৰভা শইকীয়ানী অন্যতম। স্বাধীনতা-পৰৱৰ্তীকালৰ ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহৰ মাজতো কম-বেছি পৰিমাণে নাৰীবাদী ভাবধাৰা প্ৰকট হৈ উঠা দেখা যায়। এই ভাবধাৰাৰ প্ৰকাশ ঘটা তেওঁৰ দুখন উপন্যাস হ'ল— *নীলকণ্ঠী ব্ৰজ* আৰু *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*।

২.০১ ***নীলকণ্ঠী ব্ৰজ* উপন্যাসত নাৰীবাদী চিন্তা ঃ**

বৃন্দাবনৰ পটভূমিত ৰচনা কৰা গোস্বামীৰ দ্বিতীয় উপন্যাস হৈছে *নীলকণ্ঠী ব্ৰজ*। ইয়াত ঔপন্যাসিকে এগৰাকী কম বয়সীয়া বিধৱাই ৰক্ষণশীলতাৰ বিপক্ষে গৈ বৈধব্য জীৱনক অস্বীকাৰ কৰাৰ বিষয় এটা উপস্থাপন কৰিছে। সৌদামিনী নামৰ চৰিত্ৰটোৰ যোগেদি ঔপন্যাসিকে বিধৱা নাৰীৰ মাজত সুপ্ত

হৈ থকা মানৱীয় সহজাত আশা-আকাংক্ষাক উদ্ভাসিত কৰি তুলিছে। যৌৱনা জীৱনক জীৱনৰ এক চৰম সত্য বুলি অনুভৱ কৰি দৈহিক কামনা-বাসনাৰ তাগিদাত তাই এজন খ্ৰীষ্টান যুৱকক মন-প্ৰাণ সঁপি দি সমসাময়িক ৰক্ষণশীল সমাজৰ বিৰুদ্ধে যেন প্ৰতিবাদ সাব্যস্ত কৰিব বিচাৰিছে। আমাৰ সমাজত বিধৱা তিৰোতাই কঠোৰ ব্ৰত পালন কৰিব লগা হয়। সৌদামিনীৰ পিতৃ-মাতৃয়ো তথাকথিত ৰক্ষণশীলতাৰ আৱেষ্টনীত সোমাই তাইৰ মনোজগতৰ পৰিবৰ্তনৰ কাৰণে তাইক বৃন্দাবনলৈ লৈ যায়। সৌদামিনীৰ দৃঢ় মানসিকতা তথা যুক্তিনিষ্ঠ মনটোৰ কাৰণে বৃন্দাবনৰ ৰাধেশ্যামীসকলৰ জীৱনৰ লগত তাই একাকাৰ হ'ব পৰা নাই। তাইৰ হৃদয়ৰ অন্তৰতম প্ৰদেশত এক তীব্ৰ প্ৰতিবাদৰ জোৱাৰ উঠিছে। যেতিয়া ব্ৰজধামত ধৰ্মৰ নামত ব্যভিচাৰ, ৰাধেশ্যামীসকলৰ ভোকাতুৰ দৃশ্য, বিশৃংখল জীৱন আদি প্ৰত্যক্ষ কৰে, তেতিয়া সৌদামিনীয়ে মাকৰ কথাত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হয়। ইয়াৰ মাজেদি ঔপন্যাসিকে চৰিত্ৰটিৰ মাজত সুপ্ত হৈ থকা নাৰীবাদী ভাৱধাৰাক প্ৰতিষ্ঠা কৰিব বিচাৰিছে—

> মোৰ গোটেই জীৱনটো মই এনেদৰে আনৰ দয়াপৰবশ হৈ কটাব নোৱাৰো— মই মহীয়সী নহওঁ যে তোমালোকৰ দৰে জনকল্যাণমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰো।[৩]

ভৰযৌৱনা বিধৱা গাভৰু হিচাপে সৌদামিনীয়ে বিচাৰে প্ৰেমৰ লগতে জৈৱিক কামনা-বাসনা। প্ৰথম স্বামীৰ মৃত্যুৰ পিছত দ্বিতীয় এজন পুৰুষৰ প্ৰতি আকৰ্ষিত হোৱাটো যৌৱনা বিধৱা এগৰাকীৰ পক্ষে কোনো দূষণীয় বিষয় নহয়। স্ত্ৰীৰ মৃত্যুৰ পিছত এজন পুৰুষৰ দ্বিতীয়বাৰ যেনেকৈ বিবাহ কৰোৱাৰ অধিকাৰ আছে, সেইদৰে নাৰীয়েও স্বামীৰ মৃত্যুৰ পিছত আন এজন স্বামী গ্ৰহণ কৰাৰ অধিকাৰ নাথাকিব কিয়? কাৰণ নাৰীও তেজ-মঙহৰ প্ৰাণী।[৪] সৌদামিনী চৰিত্ৰটি খ্ৰীষ্টান যুৱকজনৰ প্ৰতি আকৰ্ষিত হোৱাৰ অন্তৰালত এনে মানসিকতা অন্তৰ্নিহিত হৈ আছে। চৰণবিহাৰী গৌতমৰ আগত কোৱা কথাষাৰে সৌদামিনীৰ এনে মানসিকতাৰ কথাকে সূচায়—

> আপুনি এতিয়াই ক'লে সেই খ্ৰীষ্টানজনৰ কথা— তেওঁ একধৰণৰ প্ৰেৰণা মোক দিয়ে; তেওঁ আছে! তেওঁ আছে!!—এই থকাটো যে কি এক অবিশ্বাস্য প্ৰেৰণা মই বুজাব নোৱাৰিম। আপুনিও ঠিক



> বুজি নাপাব। শুনক পৃথিৱীৰ কোনেও বুজি নাপাব।[৫]

ঔপন্যাসিক গোস্বামীয়ে সৌদামিনী চৰিত্ৰটিৰ আত্মহত্যাৰ মাজেদি সমসাময়িক ৰক্ষণশীল সমাজৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনাইছে। প্ৰকৃততে এই সংঘটনৰ মাজেদি প্ৰত্যক্ষভাৱে সবল নাৰীবাদী ভাৱধাৰা প্ৰকট ৰূপত ধৰা নিদিয়ে যদিও পৰোক্ষভাৱে সমগ্ৰ ৰক্ষণশীল সমাজৰ প্ৰতি প্ৰতিবাদ সাব্যস্ত হৈছে। আনহাতে, ঠায়ে ঠায়ে থকা ঔপন্যাসিকৰ বক্তব্যৰ মাজেদিও নাৰী-পুৰুষৰ সমতাৰ কথা প্ৰকাশ পাইছে। উদাহৰণস্বৰূপে—

> শাৰীৰিক আৰু মানসিক উভয় দিশেৰে সিহঁতৰ মাজত পুৰুষ আৰু নাৰীৰ কোনো পাৰ্থক্য নাছিল। সেই প্ৰাচীৰ সিহঁতে কেতিয়াবাই অতিক্ৰম কৰি আহিছে।[৬]

২.০২ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* নাৰীবাদী চিন্তা ঃ

*নীলকণ্ঠী ব্ৰজ* উপন্যাসৰ দৰে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাতো* নাৰীবাদী ভাৱাদৰ্শ কম-বেছি পৰিমাণে ফুটি উঠিছে। আমৰঙা সত্ৰৰ ৰক্ষণশীল পৰম্পৰাৰ আৱেষ্টনীত অন্ধবিশ্বাস, জাতিভেদ প্ৰথা, বিধৱা নাৰীৰ কৰুণ মনোবেদনা আদিক উপন্যাসখনত বিস্তৃতভাৱে দাঙি ধৰিছে। নীলকণ্ঠী ব্ৰজৰ দৰে এইখন উপন্যাসতো বিধৱা নাৰীৰ দৈহিক কামনা-বাসনাৰ তীব্ৰতা প্ৰকাশ পোৱাৰ লগতে ক্ষয়িষ্ণু সামন্তবাদী সমাজ এখনৰ নাৰীৰ দুখ-দুৰ্দশাৰ হৃদয়বিদাৰক চিত্ৰ এখন বলিষ্ঠ ৰূপত অংকিত হৈছে। ঔপন্যাসিকে গিৰিবালা, সৰু গোসাঁনী আৰু ইন্দ্ৰনাথৰ যোগেদি সামাজিক ভণ্ডামি আৰু কু-সংস্কাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী ধ্যান-ধাৰণা প্ৰকাশ কৰিছে। নাৰীৰ স্বাধীনতা তথা কৰণীয় কৰ্তব্যক উচিতভাৱে সন্মান দিলেহে নাৰীৰ প্ৰকৃত মৰ্যাদা অটুট থাকিব। উপন্যাসখনত গিৰিবালা চৰিত্ৰটিৰ ক্ৰিয়া-কলাপৰ মাজেদি নাৰীবাদী ভাৱাদৰ্শ কম-বেছি পৰিমাণে পোহৰলৈ আহিছে। কমবয়সীয়া ছোৱালী হোৱাৰ বাবে গিৰিবালাই সমাজে জাপি দিয়া বৈধব্যৰ কঠোৰ বাধা-নিষেধক মানি ল'ব পৰা নাই।

গিৰিবালা হৈছে কৌটিকলীয়া সামাজিক শোষণ, বিধৱা নাৰীক হেয় প্ৰতিপন্ন কৰা ধৰ্মান্ধ সমাজৰ বিৰুদ্ধে এক তীব্ৰ বিদ্ৰোহৰ প্ৰতীক। তাই যেন তথাকথিত ৰক্ষণশীল সমাজৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি নাৰী জাতিক উদ্বুদ্ধ কৰি তুলিছে। নিজৰ স্বাভাৱিক কামনা-বাসনাৰ বাবে খ্ৰীষ্টান যুৱক (মাৰ্ক চাহাব)ৰ প্ৰতি আকৃষ্ট হোৱাটো নাৰী হিচাপে তাইৰ স্বাভাৱিক প্ৰবৃত্তি। ৰক্ষণশীল

সমাজে সেই প্ৰবৃত্তিবোৰক কঠোৰ হাতেৰে দমন কৰিব বিচাৰিলেও তাইৰ অন্তৰাত্মাই এক প্ৰতিবাদী ৰূপ ধাৰণ কৰিছে আৰু মাৰ্ক চাহাবৰ ওচৰত নিজকে অৰ্পণ কৰিছে। গিৰিবালাৰ মৃত্যুৰ পিছত মাৰ্ক চাহাবে তাইৰ অন্তৰাত্মাৰ যি বাণী শুনিবলৈ পাইছিল সেই বাণীয়ে নাৰীৰ ব্যক্তিসত্তাকে প্ৰতিষ্ঠা কৰিব বিচাৰিছে—

> নাৰী জীৱন অকল উৰিয়াম আৰু শাল কাঠেৰে সজা ঘৰত বন্দী হৈ থকাৰ বাবে নহয়। ই এক অপূৰ্ব দান।[৭]

মানুহৰ যি মানৱীয় প্ৰকৃতি আৰু সেই মানৱীয় প্ৰকৃতি অনুসৰি জীয়াই থকাৰ মানুহৰ যি কামনা— পুৰুষৰ ক্ষেত্ৰত সি যি নাৰীৰ ক্ষেত্ৰতো সি একেই। তাকেই *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাই* তুলি ধৰিছে।[৮] উপন্যাসখনত গিৰিবালাই নিজৰ দেহ আৰু মনৰ তাগিদাত সমাজৰ নিৰ্দিষ্ট নিয়ম-নীতিক আওকাণ কৰি লাঞ্ছনাৰ মুখামুখি হৈয়ো শেষত আত্মজাহ দি যেন ব্যক্তি-স্বাধীনতাৰ সপক্ষে প্ৰতিবাদ সাব্যস্ত কৰিছে। অৱশ্যে মৃত্যুৰ জৰিয়তে প্ৰতিবাদ সাব্যস্ত কৰাতকৈ সমাজৰ বিৰুদ্ধে এক আন্দোলনমুখী ভাবধাৰাৰে থিয় দিয়া হ'লেহে চৰিত্ৰটিৰ মাজেদি সবল নাৰীবাদী ভাবধাৰা প্ৰকট হৈ উঠিলহেঁতেন।

সৰু গোসাঁনী চৰিত্ৰটিৰ চিন্তাধাৰাৰ মাজেদিও ঔপন্যাসিকে সুপ্ত নাৰী ভাবনাক পোহৰলৈ আনিবলৈ সক্ষম হৈছে। বিধৱা নাৰীয়ে যে পুৰুষৰ সান্নিধ্য বিচাৰে সেই কথা মহীধৰ বাপুৰ প্ৰতি থকা সৰু গোসাঁনীৰ প্ৰেমানুভূতিত স্পষ্ট হৈ উঠিছে—

> আহক, আহক মহীধৰ। পৃথিৱীত এই মুহূৰ্তত মহীধৰ অহাৰ সমান আনন্দৰ কথা আৰু একো নাই।[৯]

উপন্যাসখনত নাৰী চৰিত্ৰৰ দৰে পুৰুষ চৰিত্ৰৰ কাৰ্যকলাপৰ মাজেদিও নাৰীবাদী ভাবনা ফুটি উঠিছে। সত্ৰৰ ভাবী অধিকাৰ ইন্দ্ৰনাথৰ উত্তৰণশীল মানসিকতাই নাৰীৰ অধিকাৰ সাব্যস্তকৰণত অৰিহণা যোগাইছে। সৰু গোসাঁনীৰ মহীধৰ বাপুৰ লগত থকা হলি-গলিৰ কথা জানি তেওঁ কোনোধৰণৰ বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। বৰং সৰু গোসাঁনীৰ দৈহিক তথা মানসিক প্ৰয়োজনীয়তাক যুক্তিপূৰ্ণ বুলিহে ভাবিছে। তেওঁৰ মতে—

> সৰু হেৰামদৰ মহীধৰ বাপুক যদি সৰু গোসাঁনীয়ে নিজৰ সংগী কৰি লৈছে কি বেয়া কৰিছে।[১০]

মুঠতে ক'ব পৰা যায় যে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* গিৰিবালা



আৰু *নীলকণ্ঠী ব্ৰজত* সৌদামিনী চৰিত্ৰৰ বৈধব্য জীৱনৰ যন্ত্ৰণাৰ লগতে আত্মজাহৰ পৰিণতিয়ে নাৰীবাদী চিন্তাধাৰাকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

### ৩.০০ উপসংহাৰ ঃ

নাৰীৰ বাবে নাৰীবাদেই হৈছে মানৱতাবাদ। নাৰীজীৱনৰ মৌলিক সমস্যাৰ সমাধানৰ লগতে সমাজত নাৰীয়ে পুৰুষৰ দৰে সমমৰ্যাদা লাভ কৰিব পৰাতেই নাৰীবাদৰ সাৰ্থকতা ফুটি উঠে। গোস্বামীৰ উপন্যাসসমূহৰ মাজতো নাৰীজীৱনৰ মৌলিক সমস্যা দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁৰ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* আৰু *নীলকণ্ঠী ব্ৰজ* উপন্যাসত নাৰীবাদৰ বিষয় প্ৰত্যক্ষভাৱে নাথাকিলেও কাহিনীৰ পটভূমিৰ লগতে দুই-এটা চৰিত্ৰৰ বলিষ্ঠ প্ৰতিবাদে উপন্যাসখনক নাৰীবাদী উপন্যাসৰ শাৰীলৈ উত্তৰণ ঘটাইছে। নাৰীবাদী ভাবাদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে নাৰী আৰু পুৰুষৰ সহযোগিতাৰ কথাও উনুকিয়াবলৈ পাহৰা নাই। বিশেষকৈ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* ইন্দ্ৰনাথ আৰু মাৰ্ক চাহাব— এই চৰিত্ৰ দুটাৰ বক্তব্যৰ মাজেৰে নাৰীৰ ব্যক্তিসত্তাক কিছু পৰিমাণে পূৰ্ণৰূপ দিবলৈ চেষ্টা কৰাটো ঔপন্যাসিকৰ দক্ষতা বুলি ক'ব পাৰি। এইটো সত্য যে আলোচ্য দুয়োখন উপন্যাসতে নাৰীবাদী চিন্তাৰ প্ৰকাশহে ঘটিছে, সম্পূৰ্ণৰূপে বিকাশ লাভ কৰা নাই। তথাপি মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত কম-বেছি পৰিমাণে থকা নাৰীবাদী চিন্তাই উত্তৰ প্ৰজন্মক অনুপ্ৰাণিত কৰিব।

### প্ৰসংগ টোকা ঃ


১. বিনীতা দত্ত, *অসমীয়া সাহিত্যত নাৰী*, পৃ.২৬০
২. গোবিন্দ প্ৰসাদ শৰ্মা, *নাৰীবাদ আৰু অসমীয়া উপন্যাস*, পৃ.১
৩. *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*, ষ্টুডেণ্টচ ষ্ট'ৰচ, ২০০৭, পৃ.১৯৬
৪. হোমেন বৰগোহাঞি (সম্পা.), *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পৃ.১৮৭
৫. *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*, ষ্টুডেণ্টচ ষ্ট'ৰচ, ২০০৭, পৃ.১৯৯
৬. পূৰ্বোক্ত গ্ৰন্থ, পৃ.২২৭
৭. পূৰ্বোক্ত গ্ৰন্থ, পৃ.১৫৪
৮. গোবিন্দ প্ৰসাদ শৰ্মা, নাৰীবাদ আৰু অসমীয়া উপন্যাস, পৃ.১২৭
৯. *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*; ষ্টুডেণ্টচ ষ্ট'ৰচ, ২০০৭
১০.পূৰ্বোক্ত গ্ৰন্থ


---

*লেখক উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক*